# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

Date : 09-01-2026
**Time :** 18-00 Hrs.

***Assamese Evening Bulletin***

১।	অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাত উত্তীৰ্ণ ৪ হাজাৰ ৩৭৪ গৰাকী চতুৰ্থ বৰ্গৰ প্ৰাৰ্থীক আজি নিযুক্তি পত্ৰ বিতৰণ।
২।	যোৰহাটৰ অসম কৃষি বিশ্ববিদ্যালয়ত আজিৰে পৰা দুদিনীয়া কাৰ্য্যসূচীৰে বৃহৎ কৃষক মেলা-২০২৬ আৰম্ভ।
৩।	বিশ্ব ঐতিহ্যক্ষেত্ৰ চৰাইদেউ মৈদাম ক্ষেত্ৰত আজিৰে পৰা তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে চৰাইদেউ মহোৎসৱ।

*আৰু*

৪।	অসমীয়াৰ হেঁপাহৰ ভোগালী বিহুক আদৰাৰ বাবে ৰাজ্যজুৰি ব্যাপক প্ৰস্তুতি। ঠায়ে ঠায়ে ভোগালী মেলাৰো আয়োজন।

0000

অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষা, এ ডি আৰ ইত উত্তীৰ্ণ ৪ হাজাৰ ৩৭৪ গৰাকী চতুৰ্থ বৰ্গৰ প্ৰাৰ্থীৰ মাজত আজি নিযুক্তি পত্ৰ বিতৰণ কৰা হয়। গুৱাহাটীৰ খানাপাৰাৰ নৱনিৰ্মিত জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, ৰাজ্য চৰকাৰৰ সাধাৰণ প্ৰশাসন বিভাগৰ আয়ুক্ত সচিব এম এছ্‌ মণিৱন্নন, মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, ৰঞ্জিত কুমাৰ দাসকে ধৰি কেইবাগৰাকী মন্ত্ৰী উপস্থিত থাকে।

-বাইট (মুখ্যমন্ত্ৰী)-

এ ডি আৰ ইত উত্তীৰ্ণ ৬ হাজাৰ ৩৪৭ গৰাকী তৃতীয় বৰ্গৰ প্ৰাৰ্থীক কাইলৈ সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত  নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব। একেদৰে ১২ জানুৱাৰীত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় প্ৰেক্ষাগৃহত আয়োজিত এটা অনুষ্ঠানত এ ডি আৰ ইত উত্তীৰ্ণ ২৯২ গৰাকী চাহ জনগোষ্ঠীৰ প্ৰাৰ্থীৰ মাজত নিযুক্তি পত্ৰ বিতৰণ কৰা হ'ব। এই নিযুক্তি সম্পন্ন হ'লে নতুনকৈ নিযুক্তি লাভ কৰা প্ৰাৰ্থীৰ সংখ্যা ১ লাখ ৫৬ হাজাৰ ৬৭৭লৈ বৃদ্ধি পাব।

0000

যোৰহাটৰ অসম কৃষি বিশ্ববিদ্যালয়ত আজিৰে পৰা দুদিনীয়া কাৰ্য্যসূচীৰে বৃহৎ কৃষক মেলা-২০২৬ আৰম্ভ হৈছে। অসম কৃষি বিশ্ববিদ্যালয়ৰ আই চি আৰ ফাৰ্মত অনুষ্ঠিত এই কৃষক মেলাৰ সম্প্ৰসাৰণ শিক্ষা সঞ্চালক ডত মনোৰঞ্জন নেওগে আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। উদ্বোধনী অনুষ্ঠানত অসম কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য ড০ বিদ্যুৎ চন্দন ডেকা, যোৰহাট জগন্নাথ বৰুৱা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য ড০ জ্যোতি প্ৰসাদ শইকীয়া উপস্থিত থাকে। এই কৃষক মেলাত কৃষি প্ৰদৰ্শনী, কৃষি বিষয়ক প্ৰদৰ্শন, কৃষক-বিজ্ঞানীৰ মত বিনিময় অনুষ্ঠান, কৃষি উদ্যোগীৰ সমাৰোহ, বীজ উৎপাদকৰ সমাৰোহ, কাঠপুলা খেতিয়কৰ মিলন সমাৰোহ আদি অনুষ্ঠিত হ'ব। এই মেলাত অসমৰ লগতে উত্তৰ পূৰ্বাঞ্চলৰ কৃষি বিজ্ঞান কেন্দ্ৰ, আঞ্চলিক তথা মাণ্ডিলক কৃষি গৱেষণা কেন্দ্ৰ, কেবাটাও ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় অনুষ্ঠান-প্ৰতিষ্ঠান আৰু কৃষকৰ লগতে আত্ম-সহায়ক গোটৰ সদস্যায়ো অংশগ্ৰহণ কৰিছে।

0000

বিশ্ব ঐতিহ্যক্ষেত্ৰ চৰাইদেউ মৈদাম ক্ষেত্ৰত পৰ্যটন বিভাগৰ উদ্যোগত আৰু চৰাইদেউবাসীৰ সহযোগত আজিৰে পৰা তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে চৰাইদেউ মহোৎসৱ অনুষ্ঠিত হৈছে। পুৱাৰ ভাগত জিলা আয়ুক্ত ডাঃ নেহা যাদৱে

মহোৎসৱৰ মুখ্য তোৰণ উদ্বোধন কৰে। উদযাপন সমিতিৰ সভাপতি তথা সোণাৰী সমষ্টিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰে পতাকা উত্তোলন কৰাৰ পাছত স্বৰ্গদেউসকললৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়।

তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজিত চৰাইদেউ মহোৎসৱ এইবাৰ এখন বৃহৎ আকাৰৰ কেনভাছে আকৰ্ষণীয় কৰি তুলিছে। কেনভাছখনত চীনৰ য়ুন্নান প্ৰদেশৰ মাউলুঙৰ পৰা সুদূৰ পাটকাই পৰ্বত অতিক্ৰমী চাউলুং চ্যুকাফাৰ অসম আগমণৰ ছবি শিল্পীৰ তুলিকাত প্ৰাণ পাই উঠিছে।

০০০০

গুৱাহাটী বিশ্ববিদ্যালয়ত আজি শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৰ উপস্থিতিত ৰাষ্ট্ৰীয় শিক্ষানীতি-২০২০ৰ পৰিকাঠামোৰ অন্তৰ্গত ৫ বছৰীয়া সংহত স্নাতকোত্তৰ আৰু ৪ বছৰীয়া স্নাতক পাঠ্যক্ৰমৰ বিভিন্ন গুৰুত্বপূৰ্ণ দিশত আলোকপাত কৰাৰ উদ্দেশ্যে এখন গুৰুত্বপূৰ্ণ শৈক্ষিক বৈঠক অনুষ্ঠিত হয়। গুৱাহাটী বিশ্ববিদ্যালয়ৰ বিভিন্ন শাখা আৰু বিভাগৰ ডীন, অধ্যাপক-অধ্যাপিকা আৰু বিশ্ববিদ্যালয়খনৰ অধীনৰ মহাবিদ্যালয়সমূহৰ অধ্যক্ষই এই শৈক্ষিক বৈঠকত উপস্থিত থাকে। বৈঠকত মুখ্য অতিথি হিচাপে উপস্থিত থাকি ডাঃ ৰণোজ পেগুৱে কয়, যে ৰাষ্ট্ৰীয় শিক্ষানীতি-২০২০ কেৱল এক নীতি নহয়, এই নীতি ভাৰতীয় শিক্ষা ব্যৱস্থাৰ এক ঐতিহাসিক পদক্ষেপ। এই নীতিয়ে শিক্ষাক অধিক ছাত্ৰকেন্দ্ৰিক, বহুমুখী, নমনীয় আৰু দক্ষতাভিত্তিক কৰি তুলিবৰ বাবে সুস্পষ্ট দিশ প্ৰদান কৰিছে। ৫ বছৰীয়া সংহত স্নাতকোত্তৰ আৰু চাৰি বছৰীয়া স্নাতক পাঠ্যক্ৰমৰ জৰিয়তে শিক্ষাৰ্থীসকলে গৱেষণা, উদ্ভাৱন আৰু উচ্চ দক্ষতা অৰ্জনৰ সুযোগ লাভ কৰিব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০

ৰাজ্যৰ বিভিন্ন অংশত অসমীয়াৰ হেঁপাহৰ ভোগালী বিহুক আদৰাৰ বাবে ব্যাপক প্ৰস্তুতি চলি আছে। ঠায়ে ঠায়ে বিভিন্ন আৰ্হিৰে আটকধুনীয়া ভেলাঘৰ নিৰ্মাণ কৰাৰ লগতে ভোগালী মেলাৰো আয়োজন কৰা হৈছে। গ্ৰামাঞ্চলসমূহত জীয়ৰী-বোৱাৰীয়ে ভোগালীত অতিথি আপ্যায়ণৰ বাবে পিঠা-পনা প্ৰস্তুতৰ আয়োজন কৰিছে।

ডিব্ৰুগড় জিলাৰ ৰহমুৰীয়া অঞ্চলৰ বৰতিচুক গাঁৱত পূৰ্বৰ পৰম্পৰা অনুসৰি মাঘ বিহু উদযাপনৰ আয়োজন কৰা হৈছে। গাঁওখনৰ যুৱকসকলে একত্ৰিত হৈ জাতীয় সাজপাৰ পিন্ধি একোখনকৈ খৰিৰ ভাৰ নৈৰ পাৰৰ পৰা মুকলি পথাৰলৈ আনি ভেলাঘৰ আৰু ভোজভাত খোৱাৰ পৰম্পৰা অতীজৰে পৰা চলি আহিছে। এইবাৰো সকলোৱে আনন্দ-উল্লাসেৰে এই পৰম্পৰা ৰক্ষা কৰা দেখা গৈছে।

জিলাখনৰ নাহৰকটিয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত কেন্দুগুৰি গাওঁ পঞ্চায়তৰ আত্মসহায়ক গোটসমূহৰ সহযোগত আজিৰে পৰা ৩ দিনীয়া কাৰ্যসূচীৰে অসমী ভোগালী মেলা ২০২৬ অনুষ্ঠিত হৈছে। বিধায়ক তৰংগ গগৈয়ে এই মেলাৰ শুভাৰম্ভ কৰে। মেলাত আত্মসহায়ক গোটৰ মহিলাসকলে নিজ হাতে প্ৰস্তুত কৰা খাদ্য সামগ্ৰী প্ৰদৰ্শন আৰু বিক্ৰী কৰা হৈছে।

ভোগালী বিহুৰ প্ৰাকক্ষণত মাজুলীত অসমী ভোগালী মেলা ২০২৬ আজিৰে পৰা অনুষ্ঠিত হৈছে। অসম ৰাজ্যিক গ্ৰামীন জীৱিকা অভিযান, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ মাজুলীৰ উদ্যোগত অনুষ্ঠিত এই মেলাত জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকে আহিবলৈ সকলোকে আহ্বান জনায়। টুনী নদীৰ পাৰত অনুষ্ঠিত এই মেলা অহা ১১ জানুৱাৰীত সামৰণি পৰিব।

দক্ষিণ শালমাৰা জিলাৰ হাটশিঙিমাৰিতো আজি অনুষ্ঠিত ভোগালী মেলা জিলা আয়ুক্ত ৰাহুল কুমাৰ গুপ্তাই শুভাৰম্ভ কৰে। এই মেলাত জিলাখনৰ মুঠ ৪০ টা আত্মসহায়ক গোটৰ সদস্যসকলে অংশগ্ৰহণ কৰে। অসম ৰাজ্যিক গ্ৰামীন জীৱিকা অভিযানৰ উদ্যোগত অনুষ্ঠিত এই ৩ দিনীয়া মেলাত আত্মসহায়ক গোটসমূহৰ সদস্যাসকলে প্ৰস্তুত কৰা বিভিন্ন খাদ্য সামগ্ৰী আৰু বস্ত্ৰ উপলব্ধ হৈছে।

হোজাইৰ কাকিতো আজিৰে পৰা ৩ দিনীয়া ভোগালী মেলা অনুষ্ঠিত হৈছে। লামডিং সমষ্টিৰ বিধায়ক শিবু মিশ্ৰই মেলাৰ উদ্বোধন কৰে। জিলাখনৰ আত্মসহায়ক গোটৰ মহিলাসকলৰ দ্বাৰা উৎপাদিত সামগ্ৰী এই মেলাত প্ৰদৰ্শন আৰু বিক্ৰীৰ ব্যৱস্থা কৰা হৈছে।

০০০০

ধেমাজি জিলাক স্বাৱলম্বী ৰূপ দিয়াৰ উদ্দেশ্যে জিলা প্ৰশাসন, ধেমাজি কৃষি বিজ্ঞান কেন্দ্ৰ আৰু আত্মনিৰ্ভৰ ধেমাজি সমিতিৰ উদ্যোগত আজিৰে পৰা ১২ জানুৱাৰীলৈ ধেমাজিৰ কছাৰী ময়দানত আত্মনিৰ্ভৰ ধেমাজি শীৰ্ষক কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। আত্মনিৰ্ভৰ ধেমাজি হৈছে জিলাখনৰ কৃষি, পশুপালন, মৎস্যপালন, ৰেচম শিল্প আদিৰ সৈতে জড়িত কৃষক, মহিলা আৰু উদ্যোগী যুৱক-যুৱতীৰ বিশেষ মঞ্চ। এই কাৰ্যসূচীত কৃষক সমাৰোহ, কৃষি বাণিজ্য মেলা, আত্মসহায়ক গোটৰ মেলা, বিভিন্ন বিষয়ৰ আলোচনা সত্ৰ আৰু প্ৰযুক্তি প্ৰদৰ্শনী অনুষ্ঠিত হ'ব। কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি ফটো প্ৰদৰ্শনী, বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত চিত্ৰাংকন প্ৰতিযোগিতা, সৃষ্টিশীল নৃত্য প্ৰতিযোগিতা আদিৰ আয়োজন কৰা হৈছে।

০০০০

আকাশবাণীৰ সঞ্চালক প্ৰধানৰ নিৰ্দেশমৰ্মে বাতৰি বিভাগে আৰম্ভ কৰা বিশেষ প্ৰাসঙ্গিক অনুষ্ঠানত নিশা ৯ বাজি ১৫ মিনিটত শ্ৰীভূমি জিলা কৃষক পঞ্জীয়ন সন্দৰ্ভত জিলাখনৰ জিলা কৃষি বিষয়া ছফিকুল ইছলামৰ সৈতে হোৱা এটি সাক্ষাৎকাৰ প্ৰচাৰ কৰা হ'ব। সাক্ষাৎ গ্ৰহণ কৰিব আমাৰ শ্ৰীভূমি জিলাৰ সংবাদদাতা জাকাৰিয়া ৰহমানে।

০০০০

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ দৃষ্টিপাতত কাইলৈ নিশা ৮ বাজি ২ মিনিটত 'মহিলা সৱলীকৰণৰ অৰ্থে গ্ৰহণ কৰা ৰাজ্য চৰকাৰৰ আঁচনিসমূহত আলোকপাত' শীৰ্ষক এটি বিশেষ অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানত ভাগ ল'ব ৰাজ্যিক বিজেপিৰ মুখপাত্ৰ কমল কুমাৰ মেধিয়ে। অনুষ্ঠানটিৰ আঁত ধৰিব জিণ্টী ৰাণী ডেকাই। অনুষ্ঠানৰ পৰিকল্পনা আৰু প্ৰযোজনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ আৰু প্ৰযোজনা সহযোগী পাৰবিন হুছেইন।

০০০০

যোৰহাট জিলাৰ পি এম শ্ৰী বিদ্যালয়সমূহৰ স্থিতি সন্দৰ্ভত  জিলা আয়ুক্ত জয় শিৱানিৰ অধ্যক্ষতাত এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। জিলা আয়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত এই বৈঠকত অতিৰিক্ত জিলা আয়ুক্ত, বিদ্যালয়সমূহৰ পৰিদৰ্শক, জিলা প্ৰাথমিক শিক্ষা বিষয়া, জিলা কাৰ্যসূচী বিষয়া, এফ এ অ', জে ই এছ, এফ এল এম কনচালটেণ্ট, ডাটা এনালিষ্ট আৰু জিলাখনৰ পি এম শ্ৰী বিদ্যালয়সমূহৰ প্ৰধান শিক্ষকসকল উপস্থিত থাকে। ডিজিটেল পুথিভঁড়াল স্থাপন, ভাৰতীয় জ্ঞান ব্যৱস্থা, বৈদিক গণিত প্ৰসাৰ আৰু সেউজ বিদ্যালয়ৰ পদক্ষেপ ৰূপায়ণৰ বিশেষ গুৰুত্ব আৰোপ  কৰি পি এম শ্ৰী বিদ্যালয়ৰ প্ৰয়োজনীয়তা আৰু অগ্ৰগতিৰ বিষয়ে  বিতংভাৱে আলোচনা কৰা হয়। বিদ্যালয়ৰ সামগ্ৰিক প্ৰদৰ্শন বৃদ্ধি আৰু গুণগত শিক্ষা নিশ্চিত কৰাৰ প্ৰয়োজনীতা সন্দৰ্ভত গুৰুত্ব আৰোপ কৰি বিদ্যালয়ৰ গুণগত মান মূল্যায়ন বিষয়ত আলোচনা কৰা হয়। পি এম শ্ৰী পদক্ষেপসমূহৰ সফল ৰূপায়ণ আৰু বিদ্যালয়ৰ মান উন্নত কৰিবলৈ জিলা আয়ুক্তগৰাকীয়ে সকলোৰে প্ৰতি আহ্বান জনায়।

০০০০

সমাপ্ত